# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-12-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - -**

১। ৰাজ্যৰ দৰিদ্ৰ জনসাধাৰণলৈ আগবঢ়োৱা অৰুণোদয় আঁচনিৰ ব্যৱস্থাৰ পৰিৱৰ্তন হ'ব বুলি নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ উদ্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই কথা প্ৰকাশ।

২। স্মাৰ্ট মিটাৰ ব্যৱহাৰৰ জৰিয়তে যোৱা ৯ মাহত প্ৰায় ৩৩ কোটি টকা ৰাহি হোৱা বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। গংগা, ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ ৰাষ্ট্ৰীয় জলপথেৰে দক্ষ, ব্যয়সাপেক্ষ আৰু বহনক্ষম পৰিবহণৰ লক্ষ্যৰে কেন্দ্ৰীয় বন্দৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ **জলবাহক** আঁচনিৰ শুভাৰম্ভ।

৪। বাদুংদুপ্পা কলাকেন্দ্ৰৰ আন্দাৰ দ্য শাল ট্ৰী শীৰ্ষক তিনিদিনীয়া নাট মহোৎসৱ গোৱালপাৰা জিলাৰ ৰামপুৰত আৰম্ভ। **আৰু**

৫। ব্ৰিছবেনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি দ্বিতীয় দিনৰ অন্তত ভাৰতৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ ৭ টা উইকেট হেৰুৱাই ৪০৫ ৰাণ সংগ্ৰহ।

ooooo

ৰাজ্যৰ দৰিদ্ৰ জনসাধাৰণৰ বাবে গ্ৰহণ কৰা চৰকাৰৰ অৰুণোদয় আঁচনিৰ ব্যৱস্থা আজিৰ পৰা পৰিৱৰ্তন হ'ব। সৰুসজাই ষ্টেডিয়ামত আজি অনুষ্ঠিত নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ উদ্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে পূৰ্বে অৰুণোদয় আঁচনিৰ সুবিধা লাভৰ বাবে ৰেচন কাৰ্ডৰ প্ৰয়োজন হোৱা নাছিল। কিন্তু এতিয়াৰে পৰা আঁচনিখনৰ সুবিধা লাভৰ বাবে ৰেচন কাৰ্ডৰ প্ৰয়োজন হ'ব।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসম মন্ত্ৰী সভাৰ সিদ্ধান্ত অনুসৰি এই নতুন ৰেচন কাৰ্ড বিতৰণৰ আনুষ্ঠানিক কাৰ্যসূচীৰ প্ৰথম পৰ্যায় প্ৰায় ৭ লাখতকৈ অধিক নতুন হিতাধিকাৰীয়ে খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ডৰ সুবিধা লাভ কৰিব। আনহাতে ডিচেম্বৰ মাহত ভিতৰতে নতুনকৈ ৰেচন কাৰ্ড লাভ কৰা পৰিয়ালসমূহৰ প্ৰতিগৰাকী সদস্যই ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল লাভ কৰিব বুলি তেওঁ কয়। উল্লেখযোগ্য যে নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ত কামৰূপ মহানগৰৰ লগতে বজালী, বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, লখিমপুৰ, মাজুলী, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা, শ্ৰীভূমি, তিনিচুকীয়া, পশ্চিম কাৰ্বি আংলং জিলাকো সামৰি লোৱা হৈছে।

ooooo

স্মাৰ্ট মিটাৰ ব্যৱহাৰৰ জৰিয়তে বিগত ৯ মাহত প্ৰায় ৩৩ কোটি টকা ৰাহি হোৱা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ চৰকাৰী কাৰ্যালয়সমূহত স্মাৰ্ট মিটাৰ ব্যৱহাৰ কৰা হৈছে।

এই মিটাৰত থকা ব্যৱস্থা অনুযায়ী সন্ধিয়া ৬ৰ পৰা ৭ বজাৰ ভিতৰত স্বয়ংক্ৰিয়ভাৱে বৈদ্যুতিক সা-সৰঞ্জামসমূহৰ সংযোগ বিচ্ছিন্ন হয়। ৰাজ্যৰ বিদ্যালয়সমূহতো শীঘ্ৰেই এই ব্যৱস্থা প্ৰৱৰ্তনৰ জৰিয়তে বিয়লি ৪ বজাত বৈদ্যুতিক সা-সৰঞ্জামসমূহৰ সংযোগ স্বয়ংক্ৰিয়ভাৱে বিচ্ছিন্ন হৈ যাব বুলি তেওঁ প্ৰকাশ কৰে। মন্ত্ৰী-বিধায়কসকলে ব্যক্তিগতভাৱে বিদ্যুতৰ মাচুল পৰিশোধ কৰাকে ধৰি শেহতীয়াকৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ জৰিয়তে বৃহৎ পৰিমাণৰ ধন ৰাহি হোৱা বুলি তেওঁ সদৰি কৰে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি **জলবাহক** শীৰ্ষক কাৰ্গ' আঁচনি আৰু নিৰ্ধাৰিত সেৱাৰ শুভাৰম্ভ কৰে। এই উপলক্ষে কলকাতাৰ জি আৰ জেট্টীত আয়োজিত অনুষ্ঠানত মন্ত্ৰী শ্ৰীসোণোৱালে গংগা নৈৰ এক নম্বৰ ৰাষ্ট্ৰীয় জলপথ, দুই নম্বৰ ব্ৰহ্মপুত্ৰ নৈৰ ৰাষ্ট্ৰীয় জলপথ আৰু ১৬ নম্বৰ বৰাক নৈৰ ৰাষ্ট্ৰীয় জলপথেৰে দক্ষ, ব্যয়সাপেক্ষ আৰু বহনক্ষম পৰিবহণৰ বাবে শক্তিৰ সঞ্চাৰ কৰাৰ লক্ষ্যৰে আঁচনিখনৰ আৰম্ভণি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিৰ অধীনত এক নম্বৰ ৰাষ্ট্ৰীয় জলপথৰ পাটনা হৈ কলকাতা আৰু বাৰাণসীৰ মাজৰ অংশত আৰু ভাৰত-বাংলাদেশ প্ৰট'কল জলপথ হৈ দুই নম্বৰ ৰাষ্ট্ৰীয় জলপথৰ জৰিয়তে কলকাতা আৰু গুৱাহাটীৰ পাণ্ডুৰ মাজত এই সেৱাৰ আৰম্ভ কৰা হৈছে। এই সেৱাৰ জৰিয়তে বিভিন্ন সা-সামগ্ৰী জলপথেৰে প্ৰেৰণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। এই আঁচনিখনে অহা ৩ বছৰৰ ভিতৰত জলপথলৈ প্ৰায় ৮০০ নিযুত টন সামগ্ৰী স্থানান্তৰ কৰিব বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত আভ্যন্তৰীণ জলপথৰ দ্বাৰা দেশৰ অৰ্থনীতি, বাণিজ্য আৰু সংযোগক ত্বৰান্বিত কৰাৰ দিশত এয়া এক মাইলৰ খুঁটি বুলি তেওঁ মত প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰ, উত্তৰ প্ৰদেশৰ পৰিবহণ মন্ত্ৰী দয়াশংকৰ সিং প্ৰমুখ্যে মন্ত্ৰালয়, ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ আৰু ভাৰতীয় জাহাজ পৰিবহণ নিগমনৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০

গোৱালপাৰা জিলাৰ ৰামপুৰত অৱস্থিত বাদুংদুপ্পা কলাকেন্দ্ৰৰ **আন্দাৰ দ্য শাল ট্ৰী** শীৰ্ষক তিনিদিনীয়া নাট মহোৎসৱ আজি আৰম্ভ হৈছে। বিশিষ্ট চিত্ৰশিল্পী ৰবীৰাম ব্ৰহ্মই পুৱা নাট সমাৰোহৰ শুভাৰম্ভ কৰে। আজি পুৱাৰ ভাগত **দদান ৰজা** নামৰ ৰাভা ভাষাৰ নাটখন পৰিবেশন কৰা হয়। তদুপৰি দিনৰ আঢ়ৈ বজাত বড়ো ভাষাৰ নাট **মংলি** মঞ্চস্থ কৰা হয়। উল্লেখযোগ্য যে বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাই আৰম্ভ কৰা বাদুংদুপ্পা কলাকেন্দ্ৰই বিগত ১৪ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত থকা কেইবাশ শালগছৰ মাজৰ এডোখৰ মাটিক মঞ্চৰ ৰূপ দি দিনৰ পোহৰত নাট মঞ্চস্থ কৰি আহিছে। বনাঞ্চলত মঞ্চ তৈয়াৰ কৰি সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশৰ মাজত কোনোধৰণৰ যান্ত্ৰিক শব্দ, বৈদ্যুতিক পোহৰ আদি অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত কৰা হয়। থলুৱা সা-সঁজুলি আৰু থলুৱা বাদ্যযন্ত্ৰক প্ৰাধান্য দি লোক নাট্য সংস্কৃতিক ব্যতিক্ৰমী ধাৰাৰে জীয়াই ৰখাৰ উদ্দেশ্যে বাদুংদুপ্পা কলাকেন্দ্ৰই আয়োজন কৰা এই নাট সমাৰোহত কাইলৈ আৰু পৰহিলৈ পশ্চিমবংগ আৰু চেন্নাইৰ নাট্য দলেও নাট পৰিবেশন কৰিব। কাইলৈ পুৱাৰ ভাগত তামিল ভাষাৰ নাট **তিনধান চৰ্থীৰাম** আৰু দিনৰ আঢ়ৈ বজাত **কিষাণ ৰাজ** নামৰ নাট মঞ্চস্থ কৰা হ'ব বুলি আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনাইছে।

**-বাইট-**

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই **এখন দেশ এটা নিৰ্বাচন** বিধেয়কৰ জৰিয়তে সকলো উপকৃত হ'ব বুলি মত প্ৰকাশ কৰিছে। এই বিধেয়কখন আইনত পৰিণত হ'লে দেশত নিৰ্বাচন সম্পৰ্কীয় ব্যয় হ্ৰাস হ'ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে নিৰ্বাচনী প্ৰচাৰ একে সময়তে হ'লে সকলো পক্ষ উপকৃত হ'ব। সংসদত এই বিধেয়ক সন্দৰ্ভত চৰ্চা হ'লে এই বিষয়ে সকলো পক্ষ অৱগত হ'ব বুলিও তেওঁ উল্লেখ কৰে। স্বৰাজোত্তৰ কালত সমগ্ৰ দেশত একেলগে নিৰ্বাচন অনুষ্ঠিত হৈছিল যদিও পাছলৈ কংগ্ৰেছৰ শাসনকালত দেশত নিৰ্বাচন ব্যৱস্থা পৰিৱৰ্তন হয় বুলি তেওঁ মত প্ৰকাশ কৰে।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠাশালা অধিবেশনৰ লাইখুঁটা স্থাপন কৰে। তেওঁ অধিবেশনখন সফল কৰি তোলাৰ বাবে ৰাজ্যৰ জনসাধাৰণৰ আশীৰ্বাদৰ লগতে বজালী অঞ্চলৰ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে। ইফালে মন্ত্ৰীগৰাকীৰ উপস্থিতিত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ সচিবপ্ৰধান ড০ উপেন্দ্ৰজিৎ শৰ্মাৰ নেতৃত্বত এটা দলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অধিবেশনৰ মুকলি সভাৰ মুখ্য অতিথি হিচাপে আমন্ত্ৰণ জনায়। তদুপৰি দলটোৱে অধিবেশনখন সফল কৰি তুলিবলৈ লোকনিৰ্মাণ বিভাগ, বিদ্যুৎ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগক সহায়-সহযোগিতাৰ বাবে অনুৰোধ জনায়। এই অনুৰোধৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীয়ে আটাইকেইটা বিভাগকে সকলো প্ৰকাৰৰ সহায় আৰু সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশনা প্ৰদান কৰে।

ooooo

গুৱাহাটীৰ কামাখ্যা মন্দিৰ, উমানন্দ মন্দিৰ, চক্ৰেশ্বৰ মন্দিৰ, উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত মন্দিৰ, দৌল গোবিন্দ মন্দিৰ, কাজিৰঙাৰ পাণ্ডুনাথ মন্দিৰ আৰু মাজুলীৰ আউনীআটী সত্ৰক ব্ৰহ্মপুত্ৰ জলপথেৰে সংযোগ কৰা হব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এই ঘোষণাৰ পাছত ৰাজ্য চৰকাৰে এই কাম আৰম্ভ কৰাৰ বাবে সাজু হৈছে। এই প্ৰকল্পৰ বাবদ ৬৪৫ কোটি ৫৬ লাখ টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰখনক অধিক উজ্জীৱিত কৰি তুলিবলৈ বিচৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

ooooo

জাগীৰোডত শীঘ্ৰেই স্থায়ীভাৱে অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয় স্থাপন কৰা হ'ব বুলি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি সদৰি কৰিছে। তেওঁ কয় যে পাঁচ বছৰ পূৰ্বে ৰাজ্য চৰকাৰে জাগীৰোডত অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয় স্থাপনৰ বাবে অনুমোদন জনাইছিল যদিও চৰকাৰী ভূমিৰ অভাৱত জাগীৰোডত এই ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ কৰিব পৰা হোৱা নাছিল। পূৰ্বে কাগজ কল থকা তথা সদ্যহতে চেমিকণ্ডাক্টৰ উদ্যোগৰ কাম অব্যাহত থকা স্থানত ৩ বিঘা ভূমিত অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয় স্থায়ীভাৱে স্থাপন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আজি সদৰি কৰিছে।

ooooo

ৰাজ্যত আজি নতুন বিধানসভা সমষ্টি ভিত্তিত প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী হিচাপে হিতাধিকাৰীসকলৰ মাজত নতুন ৰেচন কাৰ্ড আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টি, মাকুম বিধানসভা সমষ্টি, তিনিচুকীয়া বিধানসভা সমষ্টি, শদিয়া বিধানসভা সমষ্টি, মাৰ্ঘেৰিটা বিধানসভা সমষ্টি আৰু ডিগবৈ বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত এই ৰেচন কাৰ্ডসমূহ বিতৰণ কৰা হয়। জিলাখনৰ

আটাইকেইটা বিধানসভা সমষ্টিৰ মুঠ ৮৩ হাজাৰ ৯৫২গৰাকী হিতাধিকাৰী এই নতুন ৰেচন কাৰ্ডৰ দ্বাৰা উপকৃত হ'ব।

মাজুলী জিলাতো আজি ৰাষ্ট্ৰীয় খাদ্যসুৰক্ষা আইন, ২০১৩ৰ অধীনত নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্ডৰ জৰিয়তে জিলাখনত ১৩ হাজাৰ ৬৭৭গৰাকী নতুন হিতাধিকাৰীৰ সংযোজনৰ ফলত মুঠ ৯ হাজাৰ ৮৭৮টা পৰিয়াল উপকৃত হ'ব।

ooooo

নগাঁও জিলাৰ ৰাইদঙিয়াৰ সমীপৱৰ্ত্তী আইভেটি কৰচোং উদয় চন্দ্ৰ শইকীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱত আজি ৰাজ্য চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথি হিচাপে উপস্থিত থাকে। হাতীচোং মৌজাৰ এই অগ্ৰণী শিক্ষানুষ্ঠানখন ১৯৭৪ চনত স্থাপন কৰা হৈছিল। এই সোণালী জয়ন্তী উৎসৱত অংশগ্ৰহণ কৰি মন্ত্ৰী কেশৱ মহন্তই কয় যে উদয় চন্দ্ৰ শইকীয়া উচ্চ মাধ্যমিক বিদ্যালয়ে সুদীৰ্ঘ ৫০ বছৰ শৈক্ষিক জাগৰণৰ সৃষ্টি সমাজলৈ বিশেষ অৱিহনা আগবঢ়াই আহিছে। তেওঁ লগতে কয় যে শিক্ষানুষ্ঠানখনে বহু সুদক্ষ মানৱ সম্পদ সৃষ্টি কৰিছে। প্ৰতিষ্ঠাৰ ৫০ বছৰ পূৰ্ণ কৰা উপলক্ষে দুদিনীয়াকৈ আয়োজন কৰা সোণালী জয়ন্তী মহোৎসৱৰ আজি দ্বিতীয় দিনটোত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, সোণালী জয়ন্তী উদযাপন সমিতিৰ বিষয়ববীয়া আৰু অঞ্চলটোৰ ৰাইজক মন্ত্ৰী মহন্তই শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

ৰে'ল আৰক্ষীৰ এটা দলে আজি নিউ বঙাইগাঁও ৰে'ল ষ্টেচনত উপস্থিত হোৱা নামনিমুৱা কাঞ্চনজংঘা এক্সপ্ৰেছ ট্ৰেইনৰ পাৰ্চেল ভানত তালাচী চলাই ৭৬৫ কেজি গাঞ্জা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই নিচাজাতীয় দ্ৰব্য ত্ৰিপুৰাৰ আগৰতলা ষ্টেচনৰ পৰা বিহাৰলৈ লৈ যোৱাৰ কথা আছিল। কিন্তু ৰে'ল আৰক্ষীয়ে তালাচী চলাই গাঞ্জাখিনি উদ্ধাৰ কৰি বঙাইগাঁও ৰে'ল ষ্টেচনৰ ৰে'ল আৰক্ষীৰ জিম্মাত দিয়ে। এই অবৈধ সামগ্ৰীবিধৰ পৰিবহনৰ সৈতে জড়িত ব্যক্তি নাইবা ইয়াৰ গৰাকী এতিয়ালৈকে চিনাক্ত কৰি কৰায়ত্ত কৰিব পৰা নাই যদিও এই সন্দৰ্ভত তদন্ত চলাই আছে বুলি ৰে'ল আৰক্ষীয়ে জানিবলৈ দিছে।

ooooo

বঙাইগাঁও জিলা প্ৰশাসনে বঙাইগাঁও চহৰৰ চাপাগুৰিৰ পৰা মায়াপুৰী চিনেমা চ'কলৈ লোক নিৰ্মাণ বিভাগৰ পথেৰে বিয়লি ৪ বজাৰ পৰা পুৱা ৭ বজালৈ অটো, টেম্পো আৰু ই-ৰিক্সাৰ চলাচল নিষিদ্ধ কৰিছে। একেদৰে চহৰখনৰ বৰপাৰাৰ ছহীদ বেদীৰ পৰা উত্তৰ শালমাৰালৈ যোৱা লোক নিৰ্মাণ বিভাগৰ পথৰ লগতে ১৭, ১১৭ আৰু ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ক্ষেত্ৰতো একে নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিষেধাজ্ঞা অহা নতুন বছৰৰ ৩১ জানুৱাৰীলৈকে জিলাখনত বলবৎ থাকিব বুলি প্ৰশাসনৰ নিৰ্দেশনাত কোৱা হৈছে। ooooo

ooooo

ধুবুৰী জিলাৰ চাপৰত আজি আৰক্ষীয়ে এটা অভিযান চলাই আয়ুব আলী নামৰ এজন ব্যক্তিৰ ঘৰৰ ভিতৰৰ পৰা গাঁত খান্দি এটা ৰিভলভাৰ উদ্ধাৰ কৰে। পাঁচ জাই সক্ৰিয় গুলীসহ উদ্ধাৰ কৰা এই ৰিভলভাৰটো কিদৰে ব্যক্তিজনৰ ঘৰত মাটিত পুতি থোৱা অৱস্থাত আছিল, সেই সন্দৰ্ভত অধিক তথ্যৰ বাবে আৰক্ষীয়ে তদন্ত চলাই আছে বুলি আমাৰ ধুবুৰীৰ সংবাদদাতাই জনাইছে।

ooooo

ooooo

কৰ্মকাৰ জনগোষ্ঠীক অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাত অন্তৰ্ভুক্তৰ দাবীত আজি ধুবুৰী জিলাৰ গোলকগঞ্জৰ প্ৰধানী খেলপথাৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। অসম অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন বোৰ্ডৰ সভাপতি অমৰ গগৈ, ৰাজ্যিক কোষাধ্যক্ষ জিতু ডেকা, অ' বি চি ডেভেলপমেণ্ট বোৰ্ডৰ ধুবুৰী জিলা সভাপতি বিক্ৰম ৰায়ৰ লগতে অ' বি চি ডেভেলপমেণ্ট বোৰ্ডৰ জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ কেইবাগৰাকীও নেতা-কৰ্মী এই সভাত উপস্থিত থাকে।

ooooo

ডিব্ৰুগড়ত আজি প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্টৰ উদ্যোগত কেন্সাৰ সজাগতা তথা ইয়াৰ উপশমী চিকিৎসাৰ বাবে অনুষ্ঠিত দুদিনীয়া বিশেষ অনুষ্ঠানৰ সামৰণি পৰে। বৰ্তমানলৈকে এই ট্ৰাষ্টৰ উদ্যোগত ৩০০ৰো অধিক ৰোগী উপকৃত হৈছে বুলি সংস্থাটোৰ নেত্ৰী ডাঃ গায়ত্ৰী গগৈয়ে সদৰি কৰে। অসমৰ লগতে বহিঃৰাজ্যৰ ১৮০গৰাকী চিকিৎসক, সমাজ সেৱকে আজিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

ooooo

অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে ব্ৰিছবেনত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাক ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি দ্বিতীয় দিনৰ অন্তত ১০১ অভাৰত ৭টা উইকেট হেৰুৱায় ৪০৫ ৰাণ সংগ্ৰহ কৰে।

ooooo

সমাপ্ত